**NSD NEWS UNIT**
AKASHVANI, GUWAHATI
0000000000

**Date :** 07-11-2025
**Time:** 1910 Hrs

***Assamese Evening Bulletin***
HEADLINES

১। ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মু কাইলৈ এংগোলা আৰু বটছ্ৱানা ভ্ৰমণলৈ ৰাওনা হ'ব।

২। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি নতুন দিল্লীত ৰাষ্ট্ৰীয় গীত **বন্দে মাতৰম**ৰ ১৫০ বছৰ সম্পূৰ্ণ হোৱা উপলক্ষে বছৰজোৰা বিশেষ স্মৃতি চাৰণ অনুষ্ঠানৰ শুভাৰম্ভ কৰে।

৩। কেন্দ্ৰীয় বিত্ত মন্ত্ৰী নিৰ্মলা সীতাৰমনে আজি গুৱাহাটীত কেইবাটাও প্ৰকল্প উদ্বোধন কৰে।

৪। বিহাৰ বিধানসভা নিৰ্বাচনৰ দ্বিতীয় তথা অন্তিম পৰ্যায়ৰ প্ৰচাৰ অভিযান তীব্ৰতৰ হৈ উঠিছে।

*আৰু*

৫। অষ্ট্ৰেলিয়ামৰ ব্ৰিছবেনত কাইলৈ ভাৰত আৰু অষ্ট্ৰেলিয়াৰ মাজৰ পাঁচখনীয়া টি-২০ শৃংখলাৰ অন্তিমখন খেল অনুষ্ঠিত হ'ব।

OOOOOOOOO

ৰাষ্ট্ৰপতি দ্ৰৌপদী মুৰ্মু কাইলৈ এংগোলা আৰু বটছ্ৱানা ভ্ৰমণলৈ ৰাওনা হ'ব। ভ্ৰমণৰ প্ৰথম পৰ্যায়ত শ্ৰীমতী মুৰ্মু এংগোলাৰ ৰাষ্ট্ৰপতি জ'ৱাও মেনুৱেল গনকাল্‌ভছ লৰেনক'ৰ আমন্ত্ৰণ মৰ্মে দেশখনলৈ যাব। উল্লেখযোগ্য যে এই বছৰ ভাৰত আৰু এংগোলাৰ কূটনৈতিক সম্পৰ্কৰ ৪০ বছৰ সম্পূৰ্ণ হৈছে। এই ভ্ৰমণৰ সময়ছোৱাত ৰাষ্ট্ৰপতি মুৰ্মুৱে এংগোলাৰ ৰাষ্ট্ৰপতিৰ সৈতে পৰহিলৈ দ্বিপাক্ষিক আলোচনাত মিলিত হ'ব। শ্ৰীমতী মুৰ্মুৱে ১১ নৱেম্বৰত ৰাষ্ট্ৰখনৰ ৫০ সংখ্যক স্বাধীনতা দিৱস কাৰ্যসূচীতো ভাগ ল'ব। তেওঁ এংগোলাৰ সদনক সম্বোধন কৰাৰ লগতে দেশখনত থকা ভাৰতীয় মূলৰ লোকসকলৰ সৈতেও মত বিনিময় কৰাৰ কথা। শ্ৰীমতী মুৰ্মুই এংগোলা ভ্ৰমণ সামৰি বটছ্ৱানালৈ যাব। তেওঁ দেশখনৰ ৰাষ্ট্ৰপতি ডুমা গিডিয়ন বুকুনৰ সৈতে দ্বিপাক্ষিক আলোচনাত মিলিত হ'ব।

OOOOOOO

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি নতুন দিল্লীত ৰাষ্ট্ৰীয় গীত **বন্দে মাতৰম**ৰ ১৫০ বছৰ সম্পূৰ্ণ হোৱা উপলক্ষে বছৰজোৰা বিশেষ স্মৃতি চাৰণ অনুষ্ঠানৰ শুভাৰম্ভ কৰে। তেওঁ লগতে এটা স্মাৰক ডাক টিকট আৰু মুদ্ৰাও মুকলি কৰে। শ্ৰীমোদীয়ে জনসাধাৰণে ৰাষ্ট্ৰীয় গীত পৰিৱেশন কৰা ভি ডি অ' আপলোড কৰিব পৰাকৈ vandemataram150.in শীৰ্ষক এটা প'ৰ্টেলো মুকলি কৰে। জনসাধাৰণে এই প'ৰ্টেলত ৰাষ্ট্ৰীয় গীত পৰিৱেশনৰ ভি ডি অ' আপলোড কৰি প্ৰমাণপত্ৰ লাভ কৰিব পাৰিব।

এই উপলক্ষে আজি ৰাষ্ট্ৰীয় ৰাজধানীৰ ইন্দিৰা গান্ধী ইন্দোৰ ষ্টেডিয়ামত আয়োজিত অনুষ্ঠানত অংশ লৈ প্ৰধানমন্ত্ৰী মোদীয়ে কয়, যে বন্দে মাতৰম হৈছে এটা মন্ত্ৰ, এটা শক্তি, এটা সপোন তথা এটা সংকল্প। তেওঁ ৰাষ্ট্ৰীয় গীতটোৰ প্ৰশংসা কৰি কয়, যে এই গীতে ভাৰতমাতাৰ প্ৰতি ভক্তি আৰু শ্ৰদ্ধা প্ৰদৰ্শন কৰে, যিয়ে ইতিহাসক সোঁৱৰায়, বৰ্তমানক আত্ম-বিশ্বাসেৰে ভৰাই তোলে আৰু ভৱিষ্যতৰ বাবে নতুন শক্তিৰ সঞ্চাৰ কৰে। তেওঁ সমূহীয়াভাৱে বন্দে মাতৰম পৰিৱেশন কৰাৰ প্ৰশংসা কৰি হৃদয়স্পৰ্শী এই অভিজ্ঞতাক শব্দৰে বৰ্ণনা কৰিব নোৱাৰি বুলি উল্লেখ কৰে। তেওঁ কয়, যে বংকিম চন্দ্ৰ চট্টোপাধ্যায়ে এই গীতটোৰ জৰিয়তে এখন স্বাধীন, একত্ৰিত আৰু সমৃদ্ধিশালী ভাৰতৰ বাবে আহ্বান জনাইছিল।

দেশৰ বিভিন্ন প্ৰান্তত বন্দে মাতৰমৰ ১৫০ বছৰ সম্পূৰ্ণ হোৱা উপলক্ষে বিদ্যালয়, চৰকাৰী প্ৰতিষ্ঠানকে ধৰি সকলো ৰাজহুৱা স্থানত সমাজৰ সকলো শ্ৰেণীৰ লোকে এই গীতটি পৰিৱেশন কৰে।

নতুন দিল্লীৰ আকাশবাণী ভৱনত আয়োজিত কাৰ্যসূচীত বাতৰি বিভাগৰ অতিৰিক্ত সঞ্চালক প্ৰধান ধীৰাজ এম কাকাডিয়াই অংশগ্ৰহণ কৰে।

0000000

কেন্দ্ৰীয় বিত্ত মন্ত্ৰী নিৰ্মলা সীতাৰমনে আজি সন্ধিয়া গুৱাহাটীৰ উজান বজাৰত ব্ৰহ্মপুত্ৰ ৰিভাৰ ফ্ৰন্টৰ সতী ৰাধিকা শান্তি উদ্যান আৰু পাণবজাৰৰ গে'টৱে অৱ গুৱাহাটীৰ অত্যাধুনিক ফেৰী টাৰ্মিনেল আৰু জেটি আনুষ্ঠানিকভাৱে উদ্বোধন কৰে। ৩০০ কোটি টকা ব্যয়সাপেক্ষে নিৰ্মাণ কৰা এই ব্ৰহ্মপুত্ৰ ৰিভাৰ ফ্ৰণ্ট প্ৰকল্প ৰাজ্যখনত পৰ্যটকৰ আকৰ্ষণৰ অন্যতম কেন্দ্ৰ হৈ উঠিব বুলি আশা কৰা হৈছে। আনহাতে, সকলো বতৰতে কাৰ্যক্ষম হৈ থাকিব পৰা প্ৰকল্পটোত ছহেজাৰ ৮০০ বৰ্গ মিটাৰ এলেকাজুৰি নিৰ্মাণ কৰা গে'টৱে অৱ গুৱাহাটীৰ অত্যাধুনিক ফেৰী টাৰ্মিনেল আৰু জেটি প্ৰকল্পই গুৱাহাটী মহানগৰীৰ আন্তঃগাঁথনি আৰু যোগাযোগ ব্যৱস্থা শক্তিশালী কৰিব বুলি আশা কৰা হৈছে।

ব্ৰহ্মপুত্ৰৰ পাৰত ৩২৭ কোটি টকা ব্যয়সাপেক্ষে সতী ৰাধিকা শান্তি উদ্যান প্ৰকল্প নিৰ্মাণ কৰা হৈছে। ১ দশমিক ২ কিলোমিটাৰ দৈৰ্ঘ্যৰ এই উদ্যানখন নতুন আয়ুক্ত ভৱনৰ পৰা কাছাৰী ঘাটলৈ নিৰ্মাণ কৰা হৈছে। খন্তেক সময় আগতে আয়োজিত এই অনুষ্ঠানত মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা, বিত্তমন্ত্ৰী অজন্তা নেওগ আৰু পৰিবহন মন্ত্ৰী চৰণ বড়োকে ধৰি কেইবাগৰাকীও মন্ত্ৰী আৰু উচ্চ পদস্থ বিষয়াসকল উপস্থিত থাকে।

ইয়াৰ আগতে কেন্দ্ৰীয় বিত্তমন্ত্ৰী নিৰ্মলা সীতাৰমণে আজি আবেলি জাগীৰোডৰ চেমিকনডাক্টৰ প্ৰকল্প পৰিদৰ্শন কৰি প্ৰকল্পটোৰ কাম-কাজৰ অগ্ৰগতি সম্পৰ্কে বুজ লয়।

0000000

ভাৰতীয় ৰিজাৰ্ভ বেংকৰ গৱৰ্ণৰ সঞ্জয় মালহোট্ৰাই কৈছে যে পৰ্যাপ্ত পুঁজি লাভ তথা উন্নত স্থিতিৰ বাবে দেশৰ বেংকিং ব্যৱস্থা আৰু অধিক সবল হৈছে। তেওঁ কয় যে বিত্তীয় স্থিৰতা ৰিজাৰ্ভ বেংকৰ নীতিৰ আধাৰত বৰ্তি আছে। মুম্বাইত অনুষ্ঠিত ৰিজাৰ্ভ বেংকৰ ১২ সংখ্যক বেংকিং আৰু অৰ্থনৈতিক সন্মিলনত অংশ লৈ তেওঁ এই কথা প্ৰকাশ কৰে।

0000000

বিহাৰ বিধানসভা নিৰ্বাচনৰ দ্বিতীয় তথা অন্তিম পৰ্যায়ৰ প্ৰচাৰ অভিযান তীব্ৰতৰ হৈ উঠিছে। এন ডি এ আৰু মহা মিত্ৰজোটৰ তাৰকা প্ৰচাৰক আৰু জ্যেষ্ঠ নেতাসকলকে ধৰি অন্যান্য দলৰ নেতাসকলেও ভোটদাতাক আকৰ্ষিত কৰাৰ চেষ্টা চলাইছে। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি ঔৰংগাবাদত এখন নিৰ্বাচনী সভাক সম্বোধন কৰি কয় যে এন ডি এই বিহাৰক বিকাশৰ পথত আগুৱাই লৈ যাব। তেওঁ কয় যে বিহাৰৰ জনসাধাৰণৰ এন ডি এৰ সৎ নিৰ্বাচনী প্ৰতিশ্ৰুতিৰ প্ৰতি গভীৰ আস্থা আছে। কংগ্ৰেছ আৰু আৰ জে ডিয়ে ৰাজ্যখনত কেৱল শোষণৰ ৰাজনীতি কৰি আহিছে বুলি তেওঁ অভিযোগ কৰে। ভাবুৱাৰ এখন নিৰ্বাচনী সভাত ভাষণ দি প্ৰধানমন্ত্ৰীয়ে অভিযোগ কৰে যে আৰ জে ডি আৰু কংগ্ৰেছে বিহাৰৰ যুৱপ্ৰজন্মক ভুল পথে পৰিচালিত কৰাৰ আপ্ৰাণ চেষ্টা কৰিছিল যদিও এই পৰিকল্পনাত তেওঁলোক সফল হ'ব নোৱাৰিলে। বিজেপিৰ জ্যেষ্ঠ তথা কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে কয়, যে বিহাৰত এন ডি এ শাসনলৈ আহিলে ৰাজ্যখনক বানপানীমুক্ত কৰাৰ বাবে এটা মন্ত্ৰালয় গঠন কৰা হ'ব বুলি কেন্দ্ৰীয় চৰকাৰে সিদ্ধান্ত গ্ৰহণ কৰিছে। গোবিন্দগঞ্জত এখন নিৰ্বাচনী সভাত ভাষণ দি বিজেপিৰ ৰাষ্ট্ৰীয় সভাপতি জে পি নাড্ডাই কয় যে এই নিৰ্বাচনে বিকাশক নতুন গতিৰ লগতে চৰকাৰখনক স্থিৰতা প্ৰদান কৰিব আৰু শক্তিশালী কৰি তুলিব। কংগ্ৰেছৰ জ্যেষ্ঠ নেতা ৰাহুল গান্ধীয়ে অমৰপুৰত এখন নিৰ্বাচনী সভাত ভাষণ দিয়ে। তেওঁ কয় যে এই নিৰ্বাচনে বিহাৰৰ ভৱিষ্যৎ নিৰ্ণয় কৰিব। তেওঁ বিহাৰৰ জনসাধাৰণক এনে এখন চৰকাৰ বাছনি কৰাৰ বাবে আহ্বান জনায়, যিখন চৰকাৰে তেওঁলোকৰ হৈ কাম কৰিব আৰু প্ৰয়োজনত তেওঁলোকৰ সৈতে থিয় হৈ থাকিব। ভাগলপুৰত আন এখন নিৰ্বাচনী সভাত ভাষণ দি তেওঁ কৃষক, শ্ৰমিক, ক্ষুদ্ৰ ব্যৱসায়ীসকলৰ স্বাৰ্থৰ বিৰুদ্ধে জি এছ টি আৰোপ কৰা হৈছে বুলি অভিযোগ কৰে।

০০০০০০০

কোচিত ৪ নৱেম্বৰৰ পৰা তিনিদিনীয়াকৈ অনুষ্ঠিত বিমষ্টেক-ভাৰত সামুদ্ৰিক গৱেষণা নেটৱৰ্কৰ প্ৰথম দ্বিবাৰ্ষিক সন্মিলন কালি সফলতাৰে সমাপ্ত হয়। বংগোপসাগৰীয় অঞ্চলৰ উপকূল তথা সাগৰৰ সঠিক ব্যৱহাৰৰ কৰি অৰ্থনৈতিক বিকাশ সাধন তথা নিয়োগৰ সুবিধা সৃষ্টি কৰা আৰু দেশৰ সাগৰীয় পৰিস্থিতি বৰ্তাই ৰখাৰ উদ্দেশ্যে এই সন্মিলনৰ আয়োজন কৰা হয়। বিমষ্টেক ৰাষ্ট্ৰসমূহৰ সৈতে দেশৰ গৱেষণা প্ৰতিষ্ঠানসমূহ সংযোগ কৰিবৰ বাবে বৈদেশিক পৰিক্ৰমা মন্ত্ৰালয়ে বিগত বৰ্ষত এই পদক্ষেপ আৰম্ভ কৰিছিল, যাতে বিভিন্ন প্ৰতিষ্ঠানৰ সৈতে সহযোগিতা বৰ্তাই ৰাখিব পাৰিব। বৈদেশিক পৰিক্ৰমা মন্ত্ৰালয়ে জানিবলৈ দিছে যে এই পদক্ষেপ মুকলি কৰাৰ পাছৰে পৰা ইয়াৰ অংশীদাৰী দেশসমূহৰ সৈতে আলোচনা আৰু বিভিন্ন মত-বিনিময় কৰি অহা হৈছে। বিমষ্টেক ৰাষ্ট্ৰগোষ্ঠীসমূহৰ ২৫খন প্ৰতিষ্ঠান আৰু ৫০ৰো অধিক গৱেষক ইয়াৰ সৈতে জড়িত হৈছে। এই সন্মিলন সামুদ্ৰিক গৱেষণা আৰু বহনক্ষম সাগৰ, মহাসাগৰ তথা উপকূলৰ সঠিক ব্যৱহাৰ কৰি অৰ্থনৈতিক বিকাশ সাধন কৰাৰ ক্ষেত্ৰত মাইলৰ খুঁটি হিচাপে বিবেচিত হৈছে। সামুদ্ৰিক প্ৰত্যাহ্বানসমূহ অৰ্থব্যৱস্থা, স্বাস্থ্য আৰু গৱেষণা উদ্ভাৱন আদি এই পদক্ষেপৰ অধীনত গুৰুত্ব দিয়া হৈছে।

০০০০০০০

গোৱাৰ পানাজিত অহা ২০ নৱেম্বৰৰ পৰা ২৮ নৱেম্বৰলৈ ৫৬ সংখ্যক ভাৰতৰ আন্তঃৰাষ্ট্ৰীয় চলচ্চিত্ৰ মহোৎসৱ অনুষ্ঠিত হ'ব। নতুন দিল্লীত আজি চলচ্চিত্ৰ মহোৎসৱৰ মুকলি অনুষ্ঠানৰ বিষয়ে সাংবাদিকৰ সৈতে হোৱা কথা-বতৰাত তথ্যপ্ৰযুক্তি বিভাগৰ ৰাজ্যমন্ত্ৰী এল মুৰুগানে কয় যে গোৱাত হ'বলগীয়া এই চলচ্চিত্ৰ মহোৎসৱে এই ক্ষেত্ৰৰ সৈতে জড়িত সমগ্ৰ বিশ্বৰ শিল্পীসকলক একত্ৰিত কৰিব। তথ্য আৰু সম্প্ৰচাৰ সচিব সঞ্জয় জাজুৱে কয় যে দেশৰ চলচ্চিত্ৰ জগতৰ যাত্ৰাক উদযাপন কৰাৰ বাবে বৰ্ণাঢ্য সাংস্কৃতিক অনুষ্ঠানেৰে ২০ নৱেম্বৰত এই মহোৎসৱ আনুষ্ঠানিকভাৱে মুকলি কৰা হ'ব।

এইবাৰৰ চলচ্চিত্ৰ মহোৎসৱত দ্য ব্লু ট্ৰেইল, চিৰাট আৰু এ ইউজফুল ঘোষ্টকে ধৰি কেইবাখনো আন্তঃৰাষ্ট্ৰীয় চলচ্চিত্ৰ প্ৰদৰ্শন কৰা হ'ব। ৮১খন দেশৰ ২৪০খনতকৈও অধিক চলচ্চিত্ৰ প্ৰদৰ্শিত হ'ব। এইবাৰৰ মহোৎসৱত জাপান বিশেষ আকৰ্ষণৰ কেন্দ্ৰবিন্দু। ভাৰতীয় চলচ্চিত্ৰ তন্বী - দ্য গ্ৰেটৰ লগতে ১০খন চলচ্চিত্ৰ আই চি এফ টি ইউনেস্কো গান্ধী মেডেলৰ বাবে মনোনীত হৈছে। এই বছৰৰ মহোৎসৱত এ-আই চলচ্চিত্ৰ আৰু চিনেমা হেকাথন অন্তৰ্ভুক্ত কৰা হৈছে। মস্কিটোছ, লিটিল ট্ৰাবুল গাৰ্লছ, পয়েট, এমৰাম, মাডাৰ্ছ বেবী আৰু ছঙছ অভ আদাম গোল্ডেন পিকক আৰু ছিলভাৰ পিকক পুৰস্কাৰৰ বাবে মনোনীত হৈছে।

০০০০০০০

অষ্ট্ৰেলিয়ামৰ ব্ৰিছবেনত কাইলৈ ভাৰত আৰু অষ্ট্ৰেলিয়াৰ মাজৰ পাঁচখনীয়া টি-২০ শৃংখলাৰ অন্তিমখন খেল অনুষ্ঠিত হ'ব। ভাৰতীয় সময় অনুসৰি দিনৰ ১ বাজি ৪৫ মিনিটৰ পৰা খেলখন অনুষ্ঠিত হ'ব। কুইন্সলেণ্ড অনুষ্ঠিত শৃংখলাৰ চতুৰ্থখন খেলত ভাৰতে অষ্ট্ৰেলিয়াক ৪৮ ৰাণত পৰাস্ত কৰি শৃংখলাটো ত ২-১ৰ অগ্ৰগতি লাভ কৰি আছে।

০০০০০০০

সমাপ্ত